NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2023
**Time :** 1715 hrs

*Assamese Evening Bulletin*

০০০০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে আজি গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে বিশ্বই পৰিষ্কাৰ আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ কম কৰাৰ বাবে সকলোৰে প্ৰতি  আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তন সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱা ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰিবলৈ প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশ, অতিথি ৰাষ্ট্ৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শতাধিক প্ৰতিনিধিয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব। এই দুদিনীয়া বৈঠকৰ সময়ত যোগ-সত্ৰসহ অসমৰ চহকী ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে প্ৰতিনিধি বৰ্গক সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

০০০০০০০০০০

মৰিগাওঁ জিলা প্ৰশাসন আৰু মৰিগাওঁ মহাবিদ্যালয়ৰ উদ্যোগত  আজি মহাবিদ্যালয়খনৰ সভাকক্ষত জি-টুৱেণ্টি শীৰ্ষক সন্মিলনৰ কাৰ্যসূচী হিচাপে আৰ্হি ৱাই-টুৱেণ্টি সন্মিলনৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ক্ৰীড়াৰ উন্নয়ন, দৰিদ্ৰতা আৰু স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনাত জিলাখনৰ ৭ খন মহাবিদ্যালয়ৰ প্ৰতিনিধিয়েক অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়খনত পৰৱৰ্তী তিনিদিনলৈ এই কাৰ্যসূচী চলিব।

ইপিনে, গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্যোগত আৰু জিলাখনৰ প্ৰশাসনৰ সহযোগত আজি ৱাই-টুৱেণ্টি কাৰ্যসূচী হিচাপে গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত ভাৰত-চীনৰ সম্পৰ্ক বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম লোকসভা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া ব্ৰিগেডিয়ৰ ৰঞ্জিত বৰঠাকুৰে আলোচক হিচাপে অংশগ্ৰহণ কৰে।

ধুবুৰী জিলাত আজি ৱাই-টুৱেণ্টি বৈঠকৰ সৈতে সংগতি ৰাখি জিলাখনৰ ভোলানাথ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আন্তঃমহাবিদ্যালয়  তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত বিভিন্ন মহাবিদ্যালয়ৰ ১৩ টা দলে অংশগ্ৰহণ কৰে।

oooooooooo

বাল্য বিবাহৰ বিৰুদ্ধে অসমৰ ৩৬ খন জিলাত চাৰি হাজাৰ চাৰিটা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ধুবুৰীত বাল্য বিবাহৰ বিৰুদ্ধে সৰ্বাধিক ৩৭০ টা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, বাক্সাত ১৫৩, বৰপেটাত ১৮১, গোৱালপাৰাত ১৫৭, হোজাইত ২৫৫, কাৰ্বি আংলঙত ১২৬, কোকৰাঝাৰত ২০৪,  মৰিগাঁৱত ২২৪, নলবাৰীত ১৭১, দক্ষিণ শালমাৰাত ১৫৪ টা গোচৰ ৰুজু হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩ ফেব্ৰুৱাৰীৰ পৰা অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰিছে।

oooooooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ লগত সংগতি ৰাখি আজি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ক্ৰমে নৱযুগ প্ৰাথমিক বিদ্যালয়, আমবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, চম্পাৱতী হাইস্কুল আৰু বাথৌপুৰী বড়ো হাইস্কুল পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ শৈক্ষিক, আন্তঃগাঁথনি, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি বিভিন্ন দিশ সন্দৰ্ভত বুজ লয়। ডাঃ পেগুৱে প্ৰধানকৈ বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰা জ্ঞান সন্দৰ্ভত মত-বিনিময় কৰে। তেওঁ যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়সমূহত অসুবিধাৰ সন্মুখীন হৈছে তেওঁলোকক লৈ শিক্ষকসকলক অতিৰিক্ত পাঠদান কৰাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি শিক্ষা মন্ত্ৰীগৰাকীয়ে অভিভাৱক তথা বিদ্যালয় পৰিচালনা সমিতিসমূহৰ লগতো বাৰ্তালাপ কৰে। তেওঁ কয় যে, এখন বিদ্যালয়ৰ উন্নতি আৰু প্ৰগতিৰ বাবে প্ৰতিগৰাকী নাগৰিকে  দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। ডাঃ পেগুৱে পৰিদৰ্শনকালত বিদ্যালয়সমূহত অভিভাৱক আৰু শিক্ষকসকলৰ মাজত নিয়মীয়া বৈঠক সন্দৰ্ভতো বুজ লয়।

oooooooooo

**(সমাপ্ত)**